# অসম আদিত্য

১১ চ'ত, ১৯৪৫ শক ■ সোমবাৰ, ২৫ মাৰ্চ, ২০২৪ ■ Asom Aditya, Dibrugarh, Monday, March 25, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী




অসমৰ ১৪ খন আ

## লোকসভা

আমবাৰীৰ অসম গণ পৰি

## কানৈ কলেজত এদিনীয়া স্বাস্থ্য শিবিৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৪ মাৰ্চ ঃ** ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ জৈৱ-প্ৰযুক্তি কেন্দ্ৰৰ উদ্যোগত আজি এক এদিনীয়া স্বাস্থ্য সজাগতা শিবিৰ অনুষ্ঠিত হয়। জৈৱ-প্ৰযুক্তি কেন্দ্ৰৰ সমন্বয়ক ড০ আৰাধনা প্ৰিয়ম্বদা ভূএগ্ৰাৰ তত্বাৱধানত কনিষ্ঠ গৱেষিকা মধুস্মিতা কোঁৱৰে আঁত ধৰা অনুষ্ঠানটিত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ নৃতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক ড০ ভাস্কৰ দাস। ভাষণ প্ৰসংগত ড০ দাসে তেজৰ বিভিন্ন গ্ৰুপৰ বিষয়ে বিতং ভাৱে অৱগত কৰে আৰু কিদৰে তেজ পৰীক্ষা কৰিব পাৰি সেই বিষয়ে এক বৰ্ণনা আগবঢ়োৱাৰ লগতে তেজ পৰীক্ষা কৰি দেখুৱায়। অনুষ্ঠানটিত উপস্থিত থাকি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই তেজ পৰীক্ষা আৰু ৰক্তদানৰ গুৰুত্বতাৰ বিষয়ে আলোকপাত কৰে। মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ অনুপজ্যোতি ভৰালী, উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপক অম্বৰীষ ভূএগ্ৰা, অধ্যাপক অভিলাষ ভট্টাচাৰ্য, জৈৱ-প্ৰযুক্তি কেন্দ্ৰৰ পৰীক্ষাগাৰ সহায়িকা নিকিতা দত্ত উপস্থিত থাকে। উল্লেখ্য যে আজিৰ এই অনুষ্ঠানতে প্ৰায় ২০০ জন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। উল্লেখ্য যে Department of Biotechnology, Govt. of India প্ৰকল্পৰ অধীনৰ কানৈ মহাবিদ্যালয়ৰ জৈৱ-প্ৰযুক্তি কেন্দ্ৰৰ উদ্যোগত 'জৈৱ-প্ৰযুক্তিবিদ্যাৰ গুৰুত্ব, পৰিসৰৰ লগতে জৈৱ-প্ৰযুক্তি পৰীক্ষাগাৰত থকা সঁজুলিসমূহ আৰু অনুজীৱ বিকাশ কৰা পদ্ধতি' শীৰ্ষক বিষয়ত অনুষ্ঠিত হৈ থকা পাঁচিদিনীয়া স্নাতক আৰু স্নাতকোত্তৰ কৰ্মশালাৰ আজি সফল সামৰণি পৰে।

## খোৱাঙত জিলা সাহি
## সভাপতি, উপ-সভাপ

**ডিব্ৰুগড়, ২৪ মাৰ্চ ঃ** ডিব্ৰুগড় জিলা সাহিত্য সভাৰ উদ্যোগত আৰু খোৱাং শাখা সাহিত্য সভাৰ আতিথ্যত ডিব্ৰুগড় জিলা সাহিত্য সভাৰ অন্তৰ্গত শাখাসমূহৰ সভাপতি, উপ-সভাপতি আৰু সম্পাদকসকলৰ সন্মিলনখনি দিনজোৰা কাৰ্যসূচীৰে ডিব্ৰুগড় খোৱাং চাৰিআলিস্থিত মহাসতী জয়মতী প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। সেই উপলক্ষে ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি নোমল চন্দ্ৰ গগৈৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনিৰ উদ্দেশ্য ব্যাখ্যা কৰে জিলা সম্পাদক বদন গগৈয়ে আৰু উদ্বোধন কৰে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য পৰমেশ্বৰ নলবৰীয়াই। খোৱাং স্বৰ্ণ শাখাৰ সভাপতি অনুৰূপা বড়া শইকীয়াই আদৰণী ভাষণ আগবঢ়ায় আৰু ডিব্ৰুগড় জিলা সাহিত্য সভাৰ লক্ষ্য তথা উদ্দেশ্যৰ বিষয়ে বক্তব্য আগবঢ়ায় জিলা সভাৰ উপ-সভাপতি ভদ্ৰেশ্বৰ গগৈয়ে। ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সম্পাদক বদন গগৈয়ে আঁত ধৰা সভাত অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক অজয় সিংহ, কাৰ্যনিৰ্বাহক সদস্য পৰমেশ্বৰ নলবৰীয়া, ৰামধেনুৰ সদস্য অৰুণ বৰপাত্ৰ গোহাঁই, জিলা



উপ-সভাপতি ভদ্ৰেশ্বৰ গগৈ, সহঃসম্পাদকদ্বয়
উৎপল সোনোৱাল আৰু লবণু শইকীয়া, জিল
প্ৰকাশন সচিব প্ৰশান্ত শইকীয়া, জিলা মুখপত্ৰ
'মন্দাকিনী'ৰ সম্পাদক কুসুম সোনোৱাল
শইকীয়া, সাংগঠনিক সম্পাদক পৰমানন্দ নাথ
প্ৰকাশন উপ-সমিতিৰ উপ-সভাপতি অনিম
কোচ গগৈ, সাংগঠনিক সম্পাদক জলী গগৈ
কুঁহিৰ কাৰ্যকৰী সভাপতি প্ৰশান্ত নেওগ
আহ্বায়ক দীপজ্যোতি গগৈ, 'জোনাক'
সম্পাদক ভাগ্যেশ্বৰ গগৈ, 'আকাশ'
আহ্বায়িকা সুৰজিতা সন্দিকৈ গগৈ তথা জিল
সভাৰ বিষয়ববীয়াসকলৰ উপৰি জিলা সভা
অন্তৰ্গত শাখাসমূহৰ সভাপতি, উপ-সভাপ

